**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-08-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০

১। ৰাজ্যসভাত আজি ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰশাসন বিধেয়ক-২০২৫ আৰু ৰাষ্ট্ৰীয় ড'পিং বিৰোধী সংশোধন বিধেয়ক-২০২৫ বিবেচনাৰ বাবে গ্ৰহণ কৰা হয়।

২। ভাৰতীয় বন্দৰ বিধেয়ক-২০২৫ আজি লোকসভাত গৃহীত হয়।

৩। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত নিৰস্ত্ৰীকৰণ আৰু ৰপ্তানি নিয়ন্ত্ৰণ বিষয়ক সপ্তমলানি আলোচনা আজি নতুন দিল্লীত অনুষ্ঠিত হয়।

৪। চৰকাৰে বাংলাদেশৰ পৰা কেতবোৰ মৰাপাটজাতীয় সামগ্ৰীৰ আমদানিত নতুন নিষেধাজ্ঞা আৰোপ কৰিছে।

***আৰু***

৫। তামিল ভাষাকে ধৰি দেশৰ অন্যান্য ভাষাসমূহৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ প্ৰসাৰৰ ক্ষেত্ৰত আকাশবাণীয়ে মুখ্য ভূমিকা পালন কৰি আহিছে বুলি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানে প্ৰকাশ কৰিছে।

০০০০০

ৰাজ্যসভাত আজি ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰশাসন বিধেয়ক-২০২৫ আৰু ৰাষ্ট্ৰীয় ড'পিং বিৰোধী সংশোধন বিধেয়ক-২০২৫ বিবেচনাৰ বাবে গ্ৰহণ কৰা হয়। ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰশাসন বিধেয়কখনত ৰাষ্ট্ৰীয় ক্ৰীড়া সংস্থাসমূহক স্বীকৃতি প্ৰদান কৰাৰ লগতে সেইসমূহৰ কাম-কাজ নিয়ন্ত্ৰণ কৰাৰ সুবিধা থাকিব। এই বিধেয়কখনত ৰাষ্ট্ৰীয় অলিম্পিক কমিটি, ৰাষ্ট্ৰীয় পেৰালিম্পিক কমিটি, ৰাষ্ট্ৰীয় তথা আঞ্চলিক ক্ৰীড়া ফেডাৰেচন স্থাপনৰো ব্যৱস্থা আছে। ৰাষ্ট্ৰীয় ক্ৰীড়া সংস্থাসমূহে আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ সৈতে স্বীকৃতি লাভ কৰিব। ইয়াৰ উপৰি এই বিধেয়কখনে ৰাষ্ট্ৰীয় ক্ৰীড়া পৰিষদ গঠন কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰক অধিকাৰ প্ৰদান কৰিব।

ৰাষ্ট্ৰীয় ড'পিং বিৰোধী সংশোধন বিধেয়ক-২০২৫-এ ৰাষ্ট্ৰীয় ড'পিং বিৰোধী আইন - ২০২২ৰ সংশোধন ঘটাব। এই বিধেয়কে ক্ৰীড়াৰ ক্ষেত্ৰত ড'পিঙৰ বিৰুদ্ধে ইউনেস্ক' কনভেচনক প্ৰভাৱশালী হিচাপে বিবেচিত কৰিব। ইয়াৰ জৰিয়তে ক্ৰীড়াত ড'পিঙৰ ক্ষেত্ৰত প্ৰতিবন্ধকতা আৰোপ কৰা হ'ব। এই বিধেয়ক সন্দৰ্ভত কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই কয়, যে চৰকাৰে ক্ৰীড়া ফেডাৰেচনসমূহৰ নিৰ্বাচন তথা ইয়াৰ অধীনত খেলুৱৈ নিৰ্বাচন আৰু মহিলা খেলুৱৈৰ প্ৰতিনিধিত্ব বৃদ্ধি কৰাৰ উদ্দেশ্যে এই বিধেয়কখন

উত্থাপন কৰিছে। তেওঁ কয়, যে ক্ৰীড়াৰ ক্ষেত্ৰখনত ক্ৰীড়াবিদ, ক্ৰীড়া সংস্থা আৰু চৰকাৰ - এই তিনি ধৰণৰ অংশীদাৰ আছে আৰু এইসমূহৰ মাজত উপযুক্ত সহযোগিতা থকা অত্যন্ত প্ৰয়োজন। শ্ৰীমন্দাভিয়াই কয়, যে দেশত বৰ্তমান ক্ৰীড়া ফেডাৰেচন নিৰ্বাচনৰ সৈতে জড়িত ৩৫০ টাৰো অধিক গোচৰ বিবেচনাধীন হৈ আছে। মন্ত্ৰীগৰাকীয়ে দেশৰ প্ৰতিগৰাকী যুৱক-যুৱতীক ক্ৰীড়াৰ ক্ষেত্ৰত উপযুক্ত সুযোগ প্ৰদানৰ প্ৰয়োজন সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে বৰ্তমান বিশ্বৰ ২০ খন দেশত ক্ৰীড়া সম্বন্ধীয় আইন আছে, কিন্তু ভাৰতত এতিয়ালৈকে এনেধৰণৰ কোনো আইন নাই।

বিতৰ্কত অংশগ্ৰহণ কৰি YSRCPৰ অযোধ্যা ৰামী ৰেড্ডীয়ে কয়, যে কঠোৰ পৰিশ্ৰম কৰা দেশৰ ক্ৰীড়াবিদসকলৰ সংস্কাৰৰ বাবে এই বিধেয়ক দুখন অত্যন্ত প্ৰয়োজনীয়। এই বিধেয়কে ক্ৰীড়া ক্ষেত্ৰত স্বচ্ছতা আনিব বুলিও তেওঁ উল্লেখ কৰে। এন চি পিৰ প্ৰফুল পেটেলে ক্ৰীড়া ক্ষেত্ৰত সৰ্বাত্মক আইন প্ৰণয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কত গুৰুত্ব আৰোপ কৰে। দক্ষতা বিকাশ আৰু উদ্যমিতা ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধাৰীয়ে কয়, যে এই বিধেয়কে ক্ৰীড়া ক্ষেত্ৰখনত নতুন বিপ্লৱৰ সূচনা কৰিব।

০০০০০

ভাৰতীয় বন্দৰ বিধেয়ক-২০২৫ আজি লোকসভাত গৃহীত হয়। এই বিধেয়কখনে জল পৰিবহণৰ সৈতে জড়িত আইন শক্তিশালী কৰা, বন্দৰসমূহেৰে হোৱা বাণিজ্যৰ নিয়মাৱলীৰ সৰলীকৰণ আৰু ভাৰতৰ বন্দৰসমূহৰ যথাযথ ব্যৱহাৰ সুনিশ্চিত কৰিব। বিধেয়কখন সন্দৰ্ভত হোৱা আলোচনাৰ উত্তৰ দি কেন্দ্ৰীয় বন্দৰ আৰু জাহাজ পৰিবহণ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে একবিংশ শতিকাৰ প্ৰত্যাহ্বান পূৰণ কৰিব পৰাকৈ এই আইনখন সমৰ্থ হ'ব। তেওঁ কয়, যে দেশৰ উপকূলৱৰ্তী ৰাজ্যসমূহত ৰাজ্যিক সমুদ্ৰ বাণিজ্য পৰিষদ গঠনৰ বাবেও এই নতুন আইনখনত ব্যৱস্থা সন্নিৱিষ্ট কৰা হৈছে। তদুপৰি, সাগৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ, দুৰ্যোগ ব্যৱস্থাপনা. নিৰাপত্তা, জাহাজ পৰিবহণ আৰু বন্দৰসমূহৰ তথ্য প্ৰণালীবদ্ধভাৱে সংৰক্ষণ কৰাৰ ক্ষেত্ৰত এই আইনখন সহায়ক হ'ব। শ্ৰীসোণোৱালে কয়, যে আন্তৰ্জাতিক নিয়মাৱলীৰ অধীনত বন্দৰ সম্পৰ্কীয় বিবাদ নিষ্পত্তিৰ বাবেও এই আইনখনত ব্যৱস্থা সন্নিৱিষ্ট কৰা হৈছে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলীষ্ঠ নেতৃত্বত দেশে সমুদ্ৰ বাণিজ্য ক্ষেত্ৰত অভাৱনীয় সাফল্য অৰ্জন কৰিছে আৰু বন্দৰসমূহৰ ব্যৱহাৰৰ পৰিমাণ প্ৰায় ৮৭ শতাংশলৈ বৃদ্ধি পাইছে আৰু বন্দৰসমূহে বয়-বস্তু উঠোৱা-নমোৱাৰ পৰিমাণ বছৰি ৮৫৫ নিযুত টনলৈ বৃদ্ধি পাইছে। ইয়াৰ আগতে বিধেয়কখন সম্পৰ্কত হোৱা আলোচনাত অংশগ্ৰহণ কৰি দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়াই সাগৰীয় আৰু নৌ পৰিবহণ খণ্ডত দেশে অভূতপূৰ্ব প্ৰগতি লাভ কৰিছে বুলি উল্লেখ কৰে আৰু বিধেয়কখনলৈ সমৰ্থন আগবঢ়ায়।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত নিৰস্ত্ৰীকৰণ আৰু ৰপ্তানি নিয়ন্ত্ৰণ বিষয়ক সপ্তমলানি আলোচনা আজি নতুন দিল্লীত অনুষ্ঠিত হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, দুয়োপক্ষই পাৰমাণৱিক নিৰস্ত্ৰীকৰণ, ৰাসায়নিক আৰু জৈৱিক অস্ত্ৰ-শস্ত্ৰৰ প্ৰয়োগ নিষিদ্ধ আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগেৰে পৰম্পৰাগত অস্ত্ৰ-শস্ত্ৰৰ ব্যৱহাৰ নিষিদ্ধকৰণৰ ক্ষেত্ৰত মত বিনিময় কৰে। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ নিৰস্ত্ৰীকৰণ আৰু আন্তৰ্জাতিক নিৰাপত্তা বিষয়ৰ যুটীয়া সচিব শ্ৰীমতী মুৱানপুই ছাইৱায়িয়ে ভাৰতীয় দলৰ আৰু অষ্ট্ৰেলিয়াৰ বিদেশ আৰু বাণিজ্য মন্ত্ৰালয়ৰ অস্ত্ৰ নিয়ন্ত্ৰণ আৰু নিৰস্ত্ৰীকৰণ বিষয়ক ৰাষ্ট্ৰদূত শ্ৰীমতী ভেনেছা উদে সেই দেশৰ দলটোৰ নেতৃত্ব দিয়ে। আজিৰ বৈঠকত ভাৰত আৰু

অষ্ট্ৰেলিয়াৰ মাজত পাৰস্পৰিক বুজাবুজি বৃদ্ধি কৰা আৰু দুয়োদেশৰ মাজত কৌশলগত সৰ্বাত্মক সহযোগিতা স্থাপনৰ বাবে কাম কৰি যাবলৈ দুয়ো পক্ষ সন্মত হয়।

০০০০০

চৰকাৰে বাংলাদেশৰ পৰা কেতবোৰ মৰাপাটজাতীয় সামগ্ৰীৰ আমদানিত নতুন নিষেধাজ্ঞা আৰোপ কৰিছে। বৈদেশিক বাণিজ্য সঞ্চালকালয়ে কালি জাৰি কৰা এখন নিৰ্দেশনাত এইবুলি কোৱা হৈছে যে, মৰাপাটৰ কাপোৰ, সুতলি, ৰচী আৰু বেগ আদি সামগ্ৰীসমূহ শীঘ্ৰেই কাৰ্য্যকৰী হোৱাকৈ কেৱল মহাৰাষ্ট্ৰৰ ন্‌হাৱা সেৱা বন্দৰ হৈহে ভাৰতত প্ৰৱেশ কৰিব পাৰিব। ভাৰত-বাংলাদেশ সীমান্ত হৈ স্থলপথেৰে সামগ্ৰী আমদানিৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। অৱশ্যে চলিত বৰ্ষৰ ২৭ জুনত প্ৰকাশ হোৱা নিৰ্দেশনা অনুসৰি, অন্যান্য চৰ্ত তথা নিয়মাৱলীসমূহ পূৰ্বৰ দৰেই বাহাল থাকিব বুলি নিৰ্দেশনাটোত লগতে উল্লেখ কৰা হৈছে।

০০০০০

তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড০ এন মুৰুগানে কয়, যে তামিলকে ধৰি ভাৰতীয় ভাষাসমূহৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ প্ৰসাৰৰ ক্ষেত্ৰত আকাশবাণীয়ে মুখ্য ভূমিকা পালন কৰি আহিছে। ভি ডি অ' কনফাৰেন্সৰ জৰিয়তে অধ্যাপক ডি কে গোপাল আয়াৰৰ এখন তামিল সাহিত্যৰ সংকলন উন্মোচন কৰি মন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে। গ্ৰন্থখনত স্বাধীনতা সংগ্ৰাম আৰু তাৰ পাছৰ সময়ছোৱাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা কেইবাগৰাকীও তামিল সাহিত্যিক, কবিৰ কালজয়ী সাহিত্যৰ সংকলন সন্নিৱিষ্ট কৰা হৈছে।

০০০০০

নিউয়ৰ্কত অনুষ্ঠিত সামুদ্ৰিক নিৰাপত্তা বিষয়ক ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ উচ্চস্তৰীয় আলোচনাত মুক্ত, নিয়ম আধাৰিত সামুদ্ৰিক নীতি-নিৰ্দেশনা, আন্তঃৰাষ্ট্ৰীয় আইন সন্দৰ্ভত ভাৰতে নিজৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰিছে। ভাৰতক প্ৰতিনিধিত্ব কৰি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব তন্ময়লালে বাণিজ্য, শক্তি আৰু যোগাযোগৰ ক্ষেত্ৰত সামুদ্ৰিক পথৰ কৌশলগত প্ৰয়োজনীয়তা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি ভাৰতৰ মহাসাগৰ দৃষ্টিভংগী সন্দৰ্ভত আলোকপাত কৰে। তেওঁ লগতে সামুদ্ৰিক প্ৰশাসনৰ ক্ষেত্ৰত থকা বিভিন্ন প্ৰত্যাহ্বান তথা এই ক্ষেত্ৰত ভাৰতে গ্ৰহণ কৰা সক্ৰিয় পদক্ষেপ সন্দৰ্ভতো আলোকপাত কৰে। গোলকীয় সহযোগিতাৰ আহ্বান জনাই শ্ৰীলালে আন্তঃৰাষ্ট্ৰীয় সামুদ্ৰিক সুৰক্ষাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰস্তুতিৰ বিষয়েও দোহাৰে।

০০০০০

ৰাছিয়াৰ অৰেনবাৰ্গ অঞ্চলৰ এটা হিলিয়াম উৎপাদন কাৰখানা আজি ইউক্ৰেইনৰ ড্ৰ'ণ আক্ৰমণৰ ফলত ক্ষতিগ্ৰস্ত হয়। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, ড্ৰ'ম আক্ৰমণত ক্ষতিগ্ৰস্ত হোৱা হিলিয়াম উৎপাদন কাৰখানাটো ৰাছিয়াৰ একমাত্ৰ ৰকেট নিৰ্মাণ, মহাকাশ আৰু বিমান উদ্যোগত ব্যৱহৃত আছিল। ইফালে, ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ তথ্য অনুসৰি, বায়ু প্ৰতিৰক্ষা বাহিনীয়ে নিশাটোৰ ভিতৰতে ৩২ খন ইউক্ৰেইনৰ ড্ৰ'ণ আৰু পুৱা সাতখন ড্ৰ'ণ ধ্বংস কৰে।

০০০০০

স্বাধীনতা দিৱসৰ প্ৰাক্-ক্ষণত চণ্ডীগড়ত থকা বায়ু সেনা ঘাটিৰ উদ্যোগত হৰ ঘৰ তিৰংগা অভিযানৰ অধীনত বাইক ৰেলীৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ ফ্লেগ অফ কৰে চণ্ডীগড়ৰ এয়াৰ অফিচাৰ কমাণ্ডিং এয়াৰ কমাণ্ডাৰ নিপুন গুপ্তাই। মাতৃভূমিৰ প্ৰতি আনুগত্যৰ প্ৰতীক হিচাপে গৌৰৱেৰে ৰাষ্ট্ৰীয় পতাকা কঢ়িয়াই

জ্যেষ্ঠ বিষয়া আৰু বিমান যোদ্ধাসকলে এই ৰেলীত অংশগ্ৰহণ কৰে। শ্বহীদসকলৰ বলিদানক সন্মান জনাই চণ্ডীগড়ৰ ছেক্টৰ থ্ৰি যুদ্ধস্মাৰকতো এক মাল্যাৰ্পণ অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০০

ভাৰত আৰু ছিংগাপুৰৰ মাজৰ মন্ত্ৰী পৰ্যায়ৰ তৃতীয় ঘূৰণীয়া মেজমেল কাইলৈ নতুন দিল্লীত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী ড° এছ জয়শংকৰ, নিৰ্মলা সীতাৰমন, অশ্বিনী বৈষ্ণৱ আৰু পীয়ুষ গোৱেলে এই ঘূৰণীয়া মেজমেলত অংশগ্ৰহণ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এটা বিবৃতিত প্ৰকাশ কৰা মতে এই বৈঠকত ছিংগাপুৰৰ উপ-প্ৰধানমন্ত্ৰী গান কিম য়ং আৰু বিদেশ মন্ত্ৰী যোছেফাইন টিঅ'কে ধৰি কেইবাগৰাকীও মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। মন্ত্ৰালয়ে লগতে জানিবলৈ দিয়া মতে মন্ত্ৰী পৰ্যায়ৰ এই ঘূৰণীয়া বৈঠক হৈছে - ভাৰত আৰু ছিংগাপুৰৰ মাজৰ পাৰস্পৰিক সহযোগিতাৰ নতুন কাৰ্যসূচী নিৰ্ধাৰণৰ এটা অনন্য প্ৰক্ৰিয়া। দুয়োখন দেশৰ মাজত থকা কৌশলগত সহযোগিতাৰ বিষয়ে উল্লেখ কৰি বিবৃতিটোত লগতে এই কথাও কোৱা হৈছে যে কাইলৈ হ'বলগীয়া তৃতীয় পৰ্যায়ৰ এই বৈঠকে ভাৰত আৰু ছিংগাপুৰৰ মাজৰ দ্বিপাক্ষিক সহযোগিতাত অধিক সম্প্ৰসাৰিত তথা গভীৰ কৰাৰ উপায় চিনাক্ত কৰিব।

০০০০০

**সমাপ্ত**